**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 14-05-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## *Headlines*

১। প্ৰধানমন্ত্ৰীৰ বিদেশী মুদ্ৰা সঞ্চয়ৰ আহ্বানমৰ্মে ৰাজ্য চৰকাৰৰ ব্যয় সংকোচনৰ ব্যৱস্থা।

২। দেশৰ সৰ্ববৃহৎ খুচুৰা দুগ্ধ উৎপাদন প্ৰতিষ্ঠান আমূল আৰু মাদাৰ ডেইৰীৰ প্ৰতি লিটাৰ গাখীৰৰ মূল্য দুটকাকৈ বৃদ্ধি।

৩। শ্ৰীভূমি জিলাত হেপাটাইটিচ আৰু পানীৰ জৰিয়তে সংক্ৰমিত ৰোগ প্ৰতিৰোধৰ বাবে বিশেষ সতৰ্কতামূলক নিৰ্দেশনা জাৰি।

আৰু

৪। অষ্ট্ৰেলিয়াত হ'বলগীয়া বিশ্ব পুলিচ এণ্ড ফায়াৰ গেমছত দেশক প্ৰতিনিধিত্ব কৰিবলৈ অসমৰ উপ-আৰক্ষী অধীক্ষক বাৰ্ডি বড়োৰ যোগ্যতা অৰ্জন ।

০০০০০০০

———প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিদেশী মুদ্ৰা সঞ্চয়ৰ বাবে জনোৱা আহ্বান অনুসৰি ৰাজ্য চৰকাৰে এলানি ব্যয় সংকোচনৰ ব্যৱস্থা ঘোষণা কৰিছে। এই অনুসৰি চিকিৎসাজনিত কাৰণৰ বাহিৰে অন্য কাৰণত পৰৱৰ্তী ছমাহৰ বাবে চৰকাৰী বিষয়া-কৰ্মচাৰীৰ বিদেশ ভ্ৰমণ নিষিদ্ধ কৰা হৈছে। চৰকাৰী আৰু ব্যক্তিগত দুয়োধনৰ বিদেশ ভ্ৰমণৰ ক্ষেত্ৰত এই বাধা প্ৰযোজ্য হ'ব। মন্ত্ৰীসভাত কালি লোৱা সিদ্ধান্ত অনুসৰি ৰাজ্য চৰকাৰে অহা ছমাহলৈ কোনো যান-বাহন ক্ৰয় নকৰে। ৰাজ্যপাল-মুখ্যমন্ত্ৰীৰ পৰা আৰম্ভ কৰি সকলো মন্ত্ৰী-বিষয়াৰ কনভয়ৰ বাহনৰ সংখ্যাও ছমাহৰ বাবে হ্ৰাস কৰা হ'ব। একেদৰে বিগত বৰ্ষৰ তুলনাত ৰাজ্য চৰকাৰে পেট্ৰ'ল-ডিজেলত হোৱা চৰকাৰী ব্যয় ২০ শতাংশ হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

ৰাজ্য চৰকাৰে পৰৱৰ্তী ছমাহৰ বাবে কোনো বিদেশী সামগ্ৰীও ক্ৰয় নকৰে। অৱশ্যে ৰাজ্যৰ জনসাধাৰণৰ ক্ষেত্ৰত এই বাধা প্ৰযোজ্য নহ'ব। চৰকাৰে এই সময়ছোৱাত ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰেহে আলোচনা চক্ৰ, কৰ্মশালা অনুষ্ঠিত কৰিব। চৰকাৰী বিভাগ আৰু অনুষ্ঠানত ব্যৱহাৰৰ যান-বাহন ভাড়ালৈ ল'বলগীয়া হ'লে কেৱল বৈদ্যুতিক বাহনহে ভাড়াত লোৱা হ'ব। ইয়াৰ উপৰি ১৫ বছৰৰ বেছি পুৰণি পেট্ৰ'ল-ডিজেলচালিত যান-বাহন নিষিদ্ধ কৰাৰ প্ৰক্ৰিয়াও ত্বৰান্বিত কৰা হ'ব।

০০০০০০০০০

দেশত ৬৯ দিনৰ বাবে অপৰিশোধিত তেল আৰু ৪৫ দিনৰ বাবে ৰন্ধন গেছ মজুত আছে বুলি কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী হৰদীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে। ইন্ধন সৰবৰাহত এই পৰ্য্যন্ত কোনো সমস্যা হোৱা নাই বুলি উল্লেখ কৰি জনসাধাৰণক আতংকিত নহ'বলৈ তেওঁ আহ্বান জনায়। পশ্চিম এছিয়াৰ সংঘাতৰ পৰিপ্ৰেক্ষিতত বিশ্বজুৰি ইন্ধনৰ নাটনিক লৈ সৃষ্টি হোৱা আশংকাৰ মাজতে শ্ৰী পুৰীয়ে কালি এই আহ্বান জনায়। তেওঁ কয় যে দেশত ৰন্ধন গেছৰ উৎপাদন বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ইন্ধন আৰু অন্যান্য সামগ্ৰীৰ ব্যৱহাৰত সংযম ৰক্ষা কৰিবলৈ জনোৱা আহ্বানক সতৰ্কতাবাণী হিচাপে গ্ৰহণ কৰিবলৈ তেওঁ জনসাধাৰণক পৰামৰ্শ দিয়ে।

০০০০০০০

দেশৰ সৰ্ববৃহৎ খুচুৰা দুগ্ধ উৎপাদন প্ৰতিষ্ঠান আমূল আৰু মাদাৰ ডেইৰীয়ে প্ৰতি লিটাৰ গাখীৰৰ মূল্য দুটকাকৈ বৃদ্ধি কৰিছে। এই নতুন মূল্য আজিৰেপৰা প্ৰযোজ্য হৈছে। উৎপাদন মূল্য বৃদ্ধি হোৱাৰ বাবে গাখীৰৰ মূল্য বঢ়াবলগীয়া হৈছে বুলি প্ৰতিষ্ঠান দুটাই প্ৰকাশ কৰিছে।

০০০০০০০

ৰাজ্য চৰকাৰে অহা ২৬ মে'ত বিধানসভাত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি তেওঁৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। ড° শৰ্মাই কয়, যে ২১ মে'ৰ পৰা হ'বলগীয়া বিধানসভা অধিবেশনৰ অন্তিম দিনা অৰ্থাৎ ২৬ মে'ত উমৈহতীয়া দেৱানী বিধি উত্থাপন কৰা হ'ব। মন্ত্ৰীসভাই কালি উমৈহতীয়া দেৱানী বিধিৰ খচৰাত অনুমোদন জনায়। এই খচৰা অনুসৰি পাৰ্বত্য আৰু ভৈয়াম জনজাতিৰ লোকসকলক উমৈহতীয়া দেৱানী বিধিৰ আওঁতাৰ পৰা বাহিৰত ৰখা হ'ব বুলি তেওঁ কয়।

প্ৰস্তাৱিত বিধেয়কখনে বিবাহৰ আইনী বয়স নিৰ্ধাৰণ, বহুবিবাহত নিষেধাজ্ঞা, সম্পত্তিৰ অধিকাৰ আৰু লিভ ইন ৰিলেচনকে ধৰি কেইবাটাও বিষয় সামৰি লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ লগে লগে উত্তৰাখণ্ড আৰু গুজৰাটৰ পাছত উমৈহতীয়া দেৱানী বিধি কাৰ্যকৰী কৰা অসম তৃতীয়খন ৰাজ্য হিচাপে পৰিগণিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

**(ৰাইট) (চি এম)**

তেওঁ কয়, বিধানসভাৰ এই অধিৱেশনতে নৱনিৰ্বাচিত বিধায়কসকলে শপতগ্ৰহণ কৰিব। অধিৱেশনৰ পাছত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰা হ'ব। তেওঁ লগতে এই অধিৱেশনত চন্দ্ৰমোহন পাটোৱাৰী অস্থায়ী অধ্যক্ষ হিচাপে থাকিব বুলি জানিবলৈ দিয়ে। নতুন মন্ত্ৰীসভাই শপতগ্ৰহণৰ পাছত জ্যেষ্ঠ বিধায়ক ৰণজিত কুমাৰ দাসক অধ্যক্ষৰ দায়িত্ব দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাই ৰুজু কৰা গোচৰ সংক্ৰান্তত কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ পৱন খেড়া আজি পুনৰ অসম আৰক্ষীৰ অপৰাধ শাখাত হাজিৰ হৈছে। অপৰাধ শাখাই কালি এই সংক্ৰান্তত খেড়াক সুদীৰ্ঘ সময় জেৰা কৰে। গুৱাহাটীৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তৰ লগতে কেইবাগৰাকীও আৰক্ষী বিষয়াই পৃথকে পৃথকে প্ৰায় ১১ ঘণ্টা জেৰা কৰে।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন কাইলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত শুনানিৰ বাবে তালিকাভুক্ত কৰা হৈছে। ইয়াৰ পূৰ্বে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে কালি অভিযুক্ত শ্যামকানু মহন্তই জামিনৰ বাবে অনুৰোধ জনাই দাখিল কৰা আবেদনখন শুনানিৰ বাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। বিচাৰপীঠখনে ইয়াৰ পৰিৱৰ্তে অভিযুক্তগৰাকীৰ জামিন আবেদন উচ্চ ন্যায়ালয়ৰ আন বিচাৰপীঠত তালিকাভুক্ত কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০০

শ্ৰীভূমি জিলাৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান আৰু স্বাস্থ্য তথা পৰিয়াল কল্যাণ বিভাগে হেপাটাইটিচ আৰু পানীৰ জৰিয়তে সংক্ৰমিত ৰোগ প্ৰতিৰোধৰ বাবে বিশেষ সতৰ্কতামূলক নিৰ্দেশনা জাৰি কৰিছে। জিলা স্বাস্থ্য কৰ্তৃপক্ষই জনসাধাৰণক বিশুদ্ধ খোৱাপানী ব্যৱহাৰ কৰিবলৈ, স্বাস্থ্যসন্মত খাদ্যাভ্যাস আৰু কঠোৰ স্বাস্থ্যবিধি মানি চলিবলৈ আহ্বান জনাইছে। জিলা স্বাস্থ্য সমিতিয়ে বৰ্ষাকালত ঠায়ে ঠায়ে পানী জমা হোৱা আৰু পয়ঃপ্ৰণালীৰ অৱনতিৰ বাবে গ্ৰহণী, কলেৰা, টাইফয়ড, ডিচেণ্ট্ৰী আদি ৰোগ সংক্ৰমণৰ আশংকালৈ চাই সকলো নাগৰিককে সতৰ্কতা অৱলম্বন কৰিবলৈ পৰামৰ্শ দিছে। ইয়াৰ উপৰি জনসাধাৰণক কেৱল উতলোৱা অথবা বিশুদ্ধ পানীহে খাবলৈ আৰু পৰিষ্কাৰ তথা ঢাকনিযুক্ত পাত্ৰত পানী সংৰক্ষণ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে চলিত বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰীয় পথ আৰু আন্তঃগাঁথনি উন্নয়নৰ পুঁজিৰ অধীনত ৰাজ্যিক পথত অভাৰব্ৰীজ, আণ্ডাৰব্ৰীজ আৰু দলং নিৰ্মাণৰ বাবে অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যলৈ কালি ৫৬৯ কোটি ৬৪ লাখ টকাত আৱণ্টন দিয়ে। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে এই সন্দৰ্ভত সংশ্লিষ্ট ৰাজ্য আৰু অন্য পক্ষসমূহলৈ স্মাৰক লিপি জাৰি কৰিছে। এই স্মাৰক লিপি অনুসৰি অসমক সৰ্বাধিক ১৮৭ কোটি ৩২ লাখ টকা আৱণ্টন দিয়া হৈছে। অৰুণাচল প্ৰদেশৰ বাবে

১৬৪ কোটি ৯০ লাখ, মণিপুৰৰ বাবে ৪৬ কোটি ৬১ লাখ, মেঘালয়ৰ বাবে ৫৩ কোটি ১৯ লাখ, মিজোৰামৰ বাবে ৪৩ কোটি ৫০ লাখ, নাগালেণ্ডৰ বাবে ৩৪ কোটি ৯২ লাখ, ছিকিমৰ বাবে ১৫ কোটি ৬৯ লাখ আৰু ত্ৰিপুৰাৰ বাবে ২৩ কোটি ৫১ লাখ টকাত অনুমোদন দিয়া হৈছে। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে লগতে অসমলৈ ২০২৬-২৭ বৰ্ষৰ বাবে সেতুবন্ধন প্ৰকল্পৰ অধীনত ৰাজ্যিক পথসমূহত দলং নিৰ্মাণৰ বাবে ৩৩ কোটি ৯৪ লাখ টকাত আৱণ্টন দিছে।

০০০০০০০০০

মেঘালয় চৰকাৰে কালি পশ্চিম জয়ন্তীয়া পাৰ্বত্য জিলাৰ লপাংপ গাঁৱৰ জনসাধাৰণক তেওঁলোকৰ সুৰক্ষাৰ বাবে আজিৰেপৰা অঞ্চলটোত ১০ নম্বৰ বিশেষ বাহিনীৰ লোক নিয়োজিত কৰা হ'ব বুলি আশ্বাস দিয়ে। অঞ্চলটোৰ জনসাধাৰণে মেঘালয়ৰ সচিবালয়ৰ সন্মুখত বিশেষকৈ খেতিৰ সময়ছোৱাত সুৰক্ষা আৰু নিৰাপত্তাৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছত উপ-মুখ্যমন্ত্ৰী স্নিয়াৰভালাঙ ধৰৰ সৈতে হোৱা প্ৰতিনিধিসকলৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। অঞ্চলটোত বাস কৰা অসমৰ জনসাধাৰণে তেওঁলোকৰ মাটিত খেতি কৰাত বাধা আৰোপ কৰা বুলি অভিযোগ উত্থাপন কৰি আহিছে। যোৱা বছৰ খেতিৰ সময়ত অঞ্চলটোত কেইবাটাও সংঘৰ্ষ সংঘটিত হৈছিল আৰু এই ঘটনাত এজন লোকে প্ৰাণ হেৰুৱাইছিল। মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰীগৰাকীয়ে বিষয়টো সন্দৰ্ভত অসম চৰকাৰৰ সৈতে উচ্চ পৰ্যায়ৰ আলোচনা অব্যাহত আছে বুলি জানিবলৈ দিছে।

০০০০০০০

অসমৰ উপ-আৰক্ষী অধীক্ষক বাৰ্ডি বড়োৱে অষ্ট্ৰেলিয়াৰ পাৰ্থত হ'বলগীয়া বিশ্ব পুলিচ এণ্ড ফায়াৰ গেমছত দেশক প্ৰতিনিধিত্ব কৰিবলৈ যোগ্যতা অৰ্জন কৰিছে। বড়োৱে উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত অনুষ্ঠিত দ্বিতীয় সৰ্বভাৰতীয় পুলিচ গেমছত টেবল টেনিছত দ্বিমুকুট দখল কৰি এই সুযোগ লাভ কৰে। বাৰ্ডিয়ে কালি অ'পেন ছিংগলছ আৰু ৰাজপত্ৰিত বিষয়া শিতানৰ ছিংগছলত একেৰাহে তৃতীয়বাৰৰ বাবে স্বৰ্ণ পদক লাভ কৰে। অ'পেন শিতানৰ ছিংগলছত বাৰ্ডিয়ে উত্তৰ প্ৰদেশ আৰক্ষীৰ সুব্ৰত ৰাজ বাৰ্মাক ৩-১ ফলাফলত পৰাস্ত কৰে। একেদৰে ৰাজপত্ৰিত বিষয়া শিতানৰ ছিংগছলত খেলুৱৈগৰাকীয়ে এম শ্ৰী অভিনৱৰ বিৰুদ্ধে ৩-০ ফলাফলত সহজ জয় সাব্যস্ত কৰে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হিমাচল প্ৰদেশৰ ধৰমশালাত হ'বলগীয়া এখন খেলত পঞ্জাব কিংছ আৰু মুম্বাই ইণ্ডিয়ানছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা ৰায়পুৰত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে কলকাতা নাইট ৰাইডাৰ্ছক ৬ উইকেটত পৰাস্ত কৰে। এই জয়ৰ পাছত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ১৬ পইণ্টেৰে গুজৰাটৰ সৈতে যুটীয়াভাৱে প্ৰতিযোগিতাৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰে।

০০০০০০

উচ্চতম ন্যায়ালয়ৰ অংশগ্ৰহণমূলক ন্যায়ৰ দৰ্শনৰ প্ৰসাৰ তথা বিচৰাধীন হৈ থকা গোচৰসমূহ পাৰস্পৰিক বুজাবুজি আৰু সন্মতিৰে নিষ্পত্তি কৰাৰ লক্ষ্যৰে উচ্চতম ন্যায়ালয়ে অহা ২১ আগষ্টৰ পৰা ২৩ আগষ্টলৈ সমাধান সমাৰোহ শীৰ্ষক বিশেষ লোক আদালতৰ আয়োজন কৰিছে। সকলো অধিবক্তা, গোচৰীয়া পক্ষ, আৰু অন্যান্য সংশ্লিষ্ট পক্ষক এই অভিযানত অংশগ্ৰহণ কৰি গোচৰসমূহৰ ফলপ্ৰসু সমাধানৰ সহযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে। গোচৰৰ পক্ষসমূহে আৰু তেওঁলোকৰ অধিবক্তাসকলে উচ্চতম ন্যায়ালয়ৰ দ্বাৰা সৃষ্ট গুগল প্ৰ-পত্ৰ পূৰণ কৰি নিজৰ গোচৰটো সমাধান সমাৰোহ ২০২৬ত অন্তৰ্ভুক্ত কৰিব পাৰিব। প্ৰ-পত্ৰ পূৰণৰ অন্তিম তাৰিখ ৩১ মে ২০২৬।

০০০০০০০

**সমাপ্ত**